**দিনটোৰ বাণী**

সুখ কাৰো
চিৰকলীয়া
নহয়।
অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য

# অসম আদিত্য

RNI REGN. No. : ASS
epaper.asoma
Portal : www.aso
e-mail : asomadit

ষ্টম বছৰ ■ সংখ্যা ৩০ ■ ১৯ মাঘ, ১৯৪৭ শক ■ সোমবাৰ, ২ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, February 2, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■

স্বাস্থ

পালেঙৰ ৰস লগালে
শালমন নোহোৱা হয়
পৰিমাণে আইৰন আ
থকা কাৰণে ৰক্তহী
প্ৰসূতিৰ বাবে পাল

### মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ চিলাৰায় দিৱস উদ্‌যাপন ঃ ললিত দত্তক মৰণোত্তৰভাৱে 'বিশ্ব মহাবীৰ চিলাৰায় বঁটা'

## কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'মাজুলী বন্ধু' উপাধি প্ৰদান



**পৰাণজ্যোতি বৰা, মাজুলী ১ ফেব্ৰুৱাৰী ঃ** বিশ্ব বীৰ চিলাৰায়ৰ কেৱল জন্মদিন উদ্‌যাপন কৰিলে নহ'ব। বীৰজনৰ সাহস, পাণ্ডিত্য, সমন্বয়ৰ চিন্তা-দৰ্শনৰ যোগে অসমীয়া জাতিক শক্তিশালী কৰিবলৈ হ'লে তেওঁৰ চিন্তা-দৰ্শন গভীৰভাৱে অসমীয়াই গ্ৰহণ কৰিব লাগিব। বীৰ চিলাৰায় বিশ্বৰ তিনিজন শ্ৰেষ্ঠ বীৰৰ ভিতৰত এজন আছিল কিন্তু তেওঁৰ চিন্তা আৰু দৰ্শনক এতিয়াও সমগ্ৰ বিশ্বৰ ভিন্ন প্ৰান্তলৈ লৈ যাবলৈ সক্ষম হোৱা নাই।— আজি মাজুলীৰ গড়মূৰত অনুষ্ঠিত সদৌ মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আজি ৫১৬ সংখ্যক বীৰ চিলাৰায় দিৱসত 'মাজুলী বন্ধু' উপাধি গ্ৰহণ কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধনৰ আহ্বায়ক, বিশিষ্ট লেখক, সাহিত্যিক, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শইকীয়াই আজি এইদৰে কয়। তেওঁ কয়— বীৰ চিলাৰায় জাতীয় ঐক্য আৰু সমন্বয়ৰ প্ৰতীক আছিল। কলা-সংস্কৃতি-সাহিত্যৰ পৃষ্ঠপোষক, সাহস আৰু সময়ানুবৰ্তিতা, সামৰিক কৌশল আৰু দূৰদৰ্শিতা, মানৱীয়তাৰ নীতিবোধৰ বাবে চিলাৰায়ক শিৱাজী, নেপোলিয়নতকৈও শ্ৰেষ্ঠ বুলি ব্ৰিটিছ ইতিহাসবিদ আৰ্নল্ড টয়নবিয়ে উল্লেখ কৰিছিল। অধ্যক্ষগৰাকীয়ে বীৰ চিলাৰায়ক মোগলৰ শ্ৰেষ্ঠ শাসক আকবৰ আৰু ইংলেণ্ডৰ সোণালী যুগৰ সূচনা কৰা ৰাণী এলিজাবেথৰ সমসাময়িক আছিল বুলি উল্লেখ কৰি কয়— চিলাৰায়ৰ ৰণনীতি, কূটনীতি, জাতীয় চেতনা, ভাতৃ ভক্তি আৰু অসাধাৰণ যুদ্ধ কৌশল, ধৰ্মীৰ উদাৰতাৰ যি দৰ্শন সেই দৰ্শন গ্ৰহণ কৰিব পাৰিলেহে অসমীয়া জাতি পৃথিৱীত জিলিকি উঠিব। উল্লেখ্য যে আজি অধ্যক্ষগৰাকীক ৰাজহুৱা জীৱনৰ কৰ্মৰ স্বীকৃতি হিচাপে মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত 'মাজুলী বন্ধু' উপাধি প্ৰদান কৰে। ইয়াৰ পূৰ্বে মাজুলীৰ গড়মূৰস্থিত চিলাৰায় ভৱনত পুৱা পতাকা উত্তোলন কৰে সদৌ মাজুলী কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্তই। ইয়াৰ পিছতেই সংগঠনটোৰ *৮ পৃষ্ঠাত*